**প্ৰতিবেদনযোগ্য**

ভাৰতৰ উচ্চতম ন্যায়ালয়ত

ফৌজদাৰী আপীল অধিকাৰক্ষেত্ৰ

**২০১৪ চনৰ ফৌজদাৰী আপীল নং ২০৫৬**

(২০১১ চনৰ এছ.এল.পি. (ফৌজদাৰী) নং ৫৫৩-ৰ পৰা উদ্ভৱ হোৱা)

এডমাণ্ড এছ লিংডো ....আপীলকাৰী

বনাম

মেঘালয় ৰাজ্য ....প্ৰতিপক্ষ

লগত

**২০১৪ চনৰ ফৌজদাৰী আপীল নং ২০৫৭-৫৮**

(২০১১ চনৰ এছ.এল.পি. (ফৌজদাৰী) নং ২২০৩-২২০৪-ৰ পৰা উদ্ভৱ হোৱা)

দেৱ প্ৰসাদ শৰ্মা .... আপীলকাৰী

বনাম

কেন্দ্ৰীয় অনুসন্ধান সংস্থা .... প্ৰতিপক্ষ

**ৰায়**

**ন্যায়াধীশ আৰ. বানুমথি**

অনুমতি প্ৰদান কৰা হৈছে।

২. এছ.এল.পি. (ফৌজদাৰী) নং ২২০৩-২২০৪/২০১১-ৰ পৰা উদ্ভৱ হোৱা এই আপীলসমূহ গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ৰায়ক প্ৰত্যাহ্বান জনাই দাখিল কৰা হৈছে য'ত আপীলকাৰী - প্ৰথম

অভিযুক্ত (দেৱ প্ৰসাদ শৰ্মা)-ক ভাৰতীয় দণ্ডবিধিৰ ধাৰা ৪২০, ভাৰতীয় দণ্ডবিধিৰ ধাৰা ১২০ বি. আৰু দুৰ্নীতি প্ৰতিৰোধ আইন, ১৯৪৭ (চমুকৈ 'পি.চি. আইন')-ৰ ধাৰা ৫(২)-ৰ অধীনত দোষী সাব্যস্ত কৰা হৈছে আৰু তেওঁৰ ওপৰত আৰোপ কৰা শাস্তি বৃদ্ধি কৰা হৈছে। চতুৰ্থ অভিযুক্ত (এডমাণ্ড এছ লিংডো)-এ তেওঁৰ দোষমুক্তিৰ আদেশ বাতিল কৰা আদেশক প্ৰত্যাহ্বান জনাই আৰু ভাৰতীয় দণ্ডবিধিৰ ধাৰা ১২০ বি.-ৰ সৈতে ভাৰতীয় দণ্ডবিধিৰ ধাৰা ৪২০-ৰ অধীনত দোষী সাব্যস্তকৰণক সমালোচনা কৰি এছ.এল.পি (ফৌজদাৰী) নং ৫৫৩/২০১১ দাখিল কৰে।

৩. দেৱ প্ৰসাদ শৰ্মাৰ (এ-১) ২০১১ চনৰ ৯ অক্টোবৰত এই আদালতৰ সন্মুখত আবেদন বিচাৰাধীন হৈ থকাৰ সময়তে মৃত্যু হয় আৰু তেওঁৰ আইনী প্ৰতিনিধিক আদালতৰ ১৪.১১.২০১১ তাৰিখৰ আদেশৰ দ্বাৰা এছ.এল.পি. (ফৌজদাৰী) নং ২২০৩-২২০৪/১১-ৰ পৰা উদ্ভৱ হোৱা ফৌজদাৰী আপীলত নথিভুক্ত কৰা হয় আৰু তেওঁৰ পুত্ৰ দেৱশীষ শৰ্মাই আপীলটো অব্যাহত ৰাখিছে।

৪. চমুকৈ ক'বলৈ গ'লে বিচাৰৰ গোচৰটো হ'ল যে দেৱ প্ৰসাদ শৰ্মা (প্ৰথম অভিযুক্ত) আছিল তেতিয়াৰ নৰ্থ ইষ্টাৰ্ণ হিল ইউনিভাৰ্চিটি, শ্বিলঙৰ মুখ্য অভিযন্তা (চমুকৈ 'নেহু'), ষ্টেটনেল ৰয় (এ-২) আছিল গণনা বিষয়া, ডব্লিউ.এম.আৰ. ৱাহলাং (তৃতীয় অভিযুক্ত) আছিল তেতিয়াৰ সহকাৰী বিত্ত বিষয়া, এডমাণ্ড এছ লিংডো, মেচাৰ্ছ ই.এছ. এণ্টাৰপ্ৰাইজৰ স্বত্বাধিকাৰী (এ-৪) আৰু টি.এছ. বাৰেহ, মেচাৰ্ছ প্ৰিমিয়াৰ এণ্টাৰপ্ৰাইজৰ স্বত্বাধিকাৰী (এ-৫), এন.পি. গাৰ্গ, কাৰ্যবাহী অভিযন্তা, শ্ৰী জি.এল. শৰ্মা, কনিষ্ঠ অভিযন্তা, সঞ্জয়, জ্যেষ্ঠ কাৰিকৰী সহায়ক আৰু শ্ৰী এইচ. নংকিনৰিহ, শাখা বিষয়া, নিৰ্মান বিভাগ, নেহুই ১৯৮২ চনৰ পৰা ১৯৮৫ চনৰ মাজভাগলৈকে কিছুমান কাল্পনিক আৰু অস্তিত্বহীন প্ৰতিষ্ঠানৰ পৰা অত্যধিক হাৰত ডেম্প ছিল চিমেণ্ট ক্ৰয়ৰ বাবে একেলগে গোপন

বুজাবুজি কৰিছে। অভিযোগ কৰা হৈছে যে এই গোপন বুজাবুজিৰ ভিত্তিত এ-১-এ ১২.১২.১৯৮২ তাৰিখে ১২ টা প্ৰতিষ্ঠানৰ পৰা প্ৰতি কিলোগ্ৰাম ৪২.৭৫ টকাৰ হাৰত ডেম্প প্ৰুফ চিমেণ্ট (ডি.পি.চি.) যোগান ধৰাৰ বাবে মূল্যৰ উদ্ধৃতি আহ্বান কৰে যদিও সেই সময়ৰ বজাৰত প্ৰকৃত হাৰ প্ৰতি কিলোগ্ৰামত ৫/- টকাৰ পৰা ৭/- টকাৰ ভিতৰত আছিল। যদিও ক্ৰয় সমিতিয়ে সামগ্ৰী যোগান ধৰাৰ বাবে মাত্ৰ দুটা প্ৰতিষ্ঠানক অনুমোদন জনাইছিল, কিন্তু এ-১-এ উপলব্ধ মজুত আৰু প্ৰকৃত প্ৰয়োজনীয়তা নিৰ্ণয় নকৰাকৈ বহুতো প্ৰতিষ্ঠান আৰু ব্যক্তিৰ পৰা অৰ্ডাৰ দিছিল যাৰ ফলত এনেদৰে ক্ৰয় কৰা বৃহৎ পৰিমাণৰ সামগ্ৰী ব্যৱহাৰ নোহোৱাকৈয়ে ৰৈ গৈছিল। নেহুৰ তেতিয়াৰ উপাচাৰ্য্য ড° বি. ডি. শৰ্মাই দাখিল কৰা অভিযোগৰ ভিত্তিত গোচৰটো পঞ্জীয়ন কৰা হয় আৰু তদন্ত কেন্দ্ৰীয় অনুসন্ধান সংস্থা (চি.বি.আই.)-এ হাতত লয়। তদন্তৰ সময়ত কেন্দ্ৰীয় অনুসন্ধান সংস্থা (চি.বি.আই.)-এ এ-১-ৰ পৰা এ-৩, এডমাগু এছ লিংডো, মেচাৰ্ছ ই.এছ. এণ্টাৰপ্ৰাইজৰ স্বত্বাধিকাৰী (এ-৪), টি.এছ. বাৰেহ, মেচাৰ্ছ প্ৰিমিয়াৰ এণ্টাৰপ্ৰাইজৰ স্বত্বাধিকাৰী (এ-৫) আৰু অন্যান্য যোগান ধৰোঁতাসকলৰ বিৰুদ্ধে এক প্ৰাইমা ফেচি (Prima facie) গোচৰ সংগঠিত কৰে আৰু তেওঁলোকৰ বিৰুদ্ধে ভাৰতীয় দণ্ডবিধিৰ ধাৰা ৪২০-ৰ লগতে ভাৰতীয় দণ্ডবিধিৰ ধাৰা ১২০ বি. আৰু দুৰ্নীতি প্ৰতিৰোধ আইন, ১৯৪৭-ৰ ধাৰা ৫(১)(ডি)-ৰ লগতে ধাৰা ৫(২)-ৰ অধীনত অভিযোগনামা দাখিল কৰে। তদন্তৰ পৰ্যায়ত আনসকলক গোচৰৰ পৰা আঁতৰাই দিয়া হয় আৰু অভিযোগনামা কেৱল এ-১-ৰ পৰা এ-৫-ৰ বিৰুদ্ধে দাখিল কৰা হয়। বিচাৰ আদালতে এ-১-ৰ পৰা এ-৩-ৰ বিৰুদ্ধে অভিযোগসমূহ ভাৰতীয় দণ্ডবিধিৰ ধাৰা ৪২০-ৰ লগতে ভাৰতীয় দণ্ডবিধিৰ ধাৰা ১২০ বি.-ৰ অধীনত আৰু পি.চি. আইনৰ ধাৰা ৫(১)(ডি)-ৰ লগতে ধাৰা ৫(২)-ৰ অধীনত প্ৰতিষ্ঠিত কৰে, যাৰ বিৰুদ্ধে তেওঁলোকে নিজকে দোষমুক্ত বুলি দাবী কৰিছিল। যিমান দূৰলৈকে

এ-৪ আৰু এ-৫-ৰ প্ৰসংগ জড়িত হৈ আছে, তেওঁলোকৰ বিৰুদ্ধে ভাৰতীয় দণ্ডবিধিৰ ধাৰা ১২০ বি. আৰু ৪২০-ৰ অধীনত অভিযোগনামা দাখিল কৰা হয়। বিচাৰ আদালতে এ-১-ক ভাৰতীয় দণ্ডবিধিৰ ধাৰা ৪২০-ৰ সৈতে ভাৰতীয় দণ্ডবিধি আইনৰ ধাৰা ১২০ বি. আৰু পি.চি. আইনৰ ধাৰা ৫(২)-ৰ অধীনত দোষী সাব্যস্ত কৰে আৰু কাৰাদণ্ডৰ শাস্তি প্ৰদান কৰে। এ-২-ৰ পৰা এ-৫-ক অভিযোগসমূহৰ পৰা দোষমুক্ত কৰা হয়।

৫. এ-২-ৰ পৰা এ-৫ নিৰ্দোষী সাব্যস্ত হোৱাৰ বাবে অসন্তুষ্ট হৈ আৰু প্ৰথম অভিযুক্তৰ বাবে শাস্তি বৃদ্ধি বিচাৰি কেন্দ্ৰীয় অনুসন্ধান সংস্থা (চি.বি.আই.)-য়ে বিচাৰ আদালতে দোষী সাব্যস্ত কৰা আৰু কাৰাদণ্ডৰ শাস্তিক প্ৰত্যাহ্বান জনাই উচ্চ ন্যায়ালয়ৰ সন্মুখত আপীল দাখিল কৰে। দুয়োটা আপীলৰ শুনানি একেলগে কৰা হয় আৰু গৌহাটী উচ্চ ন্যায়ালয়ৰ বিদ্বান একক ন্যায়াধীশে প্ৰথম অভিযুক্তৰ ওপৰত আৰোপ কৰা শাস্তি বৃদ্ধি কৰে, আৰু প্ৰথম অভিযুক্তৰ দ্বাৰা দাখিল কৰা আপীল খাৰিজ কৰে। এ-১-ক দোষী সাব্যস্ত কৰা আৰু বিচাৰ আদালতে তেওঁৰ ওপৰত আৰোপ কৰা শাস্তি আৰু উচ্চ ন্যায়ালয়ে বৃদ্ধি কৰা শাস্তিৰ সবিশেষ তলত দিয়া ধৰণৰ:

| বিচাৰ আদালত | | উচ্চ ন্যায়ালয় | |
|---|---|---|---|
| দোষী সাব্যস্তকৰণ | শাস্তি | দোষী সাব্যস্তকৰণ | শাস্তি |
| ভাৰতীয় দণ্ডবিধি আইনৰ ধাৰা ১২০ বি. | ৪ মাহৰ সাধাৰণ কাৰাদণ্ড আৰু ২ মাহ সাধাৰণ কাৰাদণ্ড খটাত ব্যৰ্থ হ'লে ১৫,০০০/- টকাৰ জৰিমনা। | ভাৰতীয় দণ্ডবিধি আইনৰ ধাৰা ১২০ বি. | ৩ বছৰৰ সশ্ৰম কাৰাদণ্ড আৰু ১ বছৰ সশ্ৰম কাৰাদণ্ড খটাত ব্যৰ্থ হ'লে ৫০,০০০/- টকাৰ জৰিমনা। |

| | | | |
|---|---|---|---|
| ভাৰতীয় দণ্ডবিধি আইনৰ ধাৰা ৪২০ | ৬ মাহৰ সাধাৰণ কাৰাদণ্ড আৰু ২ মাহ সাধাৰণ কাৰাদণ্ড খটাত ব্যৰ্থ হ'লে ১৫,০০০/- টকাৰ জৰিমনা। | ভাৰতীয় দণ্ডবিধি আইনৰ ধাৰা ৪২০ | ৫ বছৰৰ সশ্ৰম কাৰাদণ্ড আৰু ১ বছৰ সশ্ৰম কাৰাদণ্ড খটাত ব্যৰ্থ হ'লে ১,০০,০০০/- টকাৰ জৰিমনা। |
| পি.চি. আইনৰ ধাৰা ৫(২) | ১ বছৰৰ সাধাৰণ কাৰাদণ্ড আৰু ২ মাহ সাধাৰণ কাৰাদণ্ড খটাত ব্যৰ্থ হ'লে ২৫,০০০/- টকাৰ জৰিমনা। | পি.চি. আইনৰ ধাৰা ৫(২)(ডি) | ৫ বছৰৰ সশ্ৰম কাৰাদণ্ড আৰু ১ বছৰ সশ্ৰম কাৰাদণ্ড খটাত ব্যৰ্থ হ'লে ১,০০,০০০/- টকাৰ জৰিমনা। |

৬. উচ্চ ন্যায়ালয়ৰ সন্মুখত আপীল বিচাৰাধীন হৈ থকাৰ সময়তে এ-২-ৰ মৃত্যু হয়। ৩-ৰ পৰা ৫ নং অভিযুক্তৰ নিৰ্দোষী সাব্যস্ত হোৱাটো সলনি কৰা হয় আৰু তেওঁলোকক ভাৰতীয় দণ্ডবিধিৰ ধাৰা ১২০-বি আৰু ৪২০-ৰ অধীনত দোষী সাব্যস্ত কৰা হয়। শাস্তিৰ পৰিমাণ আৰোপ কৰাৰ ক্ষেত্ৰত, উচ্চ ন্যায়ালয়ে অভিযুক্ত ৩-ৰ পৰা ৫-লৈ ফৌজদাৰী কাৰ্য্যবিধিৰ ধাৰা ২৩৫ (২)-ৰ অধীনত শাস্তিৰ পৰিমাণৰ সন্দৰ্ভত সুযোগ দিয়াৰ পিছত উপযুক্ত আদেশ প্ৰদান কৰাৰ বাবে বিষয়টো বিচাৰ আদালতলৈ ঘূৰাই পঠিয়াইছিল। নিৰ্দোষী সাব্যস্ত কৰাৰ আদেশ বাতিল কৰাৰ বাবে ক্ষুব্ধ হৈ আপীলকাৰীসকল আমাৰ সন্মুখত আহিছে। এই আদালতৰ ৩১.০১.২০১১ তাৰিখৰ আদেশ অনুসৰি বিচাৰ আদালতে চতুৰ্থ অভিযুক্তৰ ওপৰত শাস্তি আৰোপ কৰি আদেশ জাৰি কৰে। ভাৰতীয় দণ্ডবিধিৰ ধাৰা ৪২০ আৰু ভাৰতীয় দণ্ডবিধিৰ ধাৰা ১২০ বি.-ৰ অধীনত দোষী সাব্যস্ত হোৱাৰ বাবে চতুৰ্থ অভিযুক্তক ক্ৰমে পাঁচ বছৰ আৰু তিনি বছৰৰ কাৰাদণ্ড আৰু জৰিমনা বিহা হয়।

৭. আমি আপীলকাৰী আৰু প্ৰতিপক্ষৰ হৈ বিদ্বান অধিবক্তাৰ যুক্তি শুনিছো আৰু আমি ইয়াৰ ওপৰত যথাযথভাৱে বিবেচনা কৰিছো।

৮.	প্ৰথম অভিযুক্ত দেৱ প্ৰসাদ শৰ্মাৰ বাবে ফৌজদাৰী আপীলৰ সন্দৰ্ভত (ইতিমধ্যে মৃত) : প্ৰথম অভিযুক্ত প্ৰাসংগিক সময়ত নেহুৰ মুখ্য অভিযন্তা আছিল আৰু প্ৰথম অভিযুক্ত আৰু এ-২ আৰু এ-৩ ক্ৰয় সমিতিৰ কাৰিকৰী সদস্য আছিল। ১২.১২.১৯৮২ তাৰিখে প্ৰথম অভিযুক্তই প্ৰয়োজনীয় পৰিমাণ আৰু মানদণ্ডৰ উল্লেখ নকৰাকৈ ১২ টা প্ৰতিষ্ঠানৰ পৰা ডেম্প প্ৰুফ চিমেণ্ট (ডি.পি.চি.) যোগানৰ বাবে ছীলযুক্ত মূল্যৰ উদ্ধৃতি আহ্বান জনায়। উত্তৰস্বৰূপে, ছয়টা প্ৰতিষ্ঠানৰ পৰা মূল্যৰ উদ্ধৃতি লাভ কৰা হয় আৰু সেইবোৰ ৬.৪.১৯৮৩ তাৰিখে পৰীক্ষা কৰা হয় যিটোৱে নিয়ম আৰু পদ্ধতি উলংঘা কৰা বুলি কোৱা হয় আৰু মেচাৰ্ছ প্ৰিমিয়াৰ এণ্টাৰপ্ৰাইজছ (এ-৫) আৰু মেচাৰ্ছ এডমাণ্ড এছ. লিংডো (এ-৪)-ৰ দ্বাৰা উদ্ধৃত প্ৰতি কিলোগ্ৰামত ৪২.৭৫ টকা হ'ল সৰ্বনিম্ন আৰু তুলনামূলক বিবৃতি দিয়াৰ পিছত, এ-১-এ তেওঁৰ নামৰ প্ৰাৰম্ভিক আখৰযুক্ত চহী তাৰিখৰ সৈতে সংলগ্ন কৰে।

৯.	৭.০৪.১৯৮৩ তাৰিখে এ-১-এ এ-4 মেচাৰ্ছ এডমাণ্ড এছ লিংডো আৰু টি.এচ. বাৰেহ (এ-৫)-ৰ মেচাৰ্ছ প্ৰিমিয়াৰ এণ্টাৰপ্ৰাইজৰ চাৰিটা পৃথক ফাৰ্মৰ পৰা প্ৰতি কিলোগ্ৰামত ৪২.৭৫ টকাৰ মূল্যত ২ মেট্ৰিক টন (এম.টি.) যোগানৰ বাবে অৰ্ডাৰ কৰে। ০৪.০৬.১৯৮৩ তাৰিখে দিয়া আদেশ আৰু উদ্ধৃত মূল্যৰ ক্ষেত্ৰত চতুৰ্থ অভিযুক্তই তেওঁৰ প্ৰতিষ্ঠান মেচাৰ্ছ এডমাণ্ড এছ লিংডো আৰু মেচাৰ্ছ ই. এচ. এণ্টাৰপ্ৰাইজৰ জৰিয়তে আৰু লগতে মেচাৰ্ছ টি. এচ. বাৰেহৰ জৰিয়তে প্ৰতি কিলোগ্ৰামত ৪২.৭৫ টকাৰ হাৰত ডি.পি.চি. যোগান ধৰিছিল। ০৬.০৭.১৯৮৩ তাৰিখে, নেহুৰ ক্ৰয় সমিতিয়ে, য'ত প্ৰথম অভিযুক্ত আছিল কাৰিকৰী সদস্য আছিল, প্ৰতি কিলোগ্ৰামত, চতুৰ্থ অভিযুক্ত আৰু মেচাৰ্ছ প্ৰিমিয়াৰ এণ্টাৰপ্ৰাইজে উদ্ধৃত কৰা, ৪২.৭৫ টকাৰ হাৰত ডি.পি.চি. ক্ৰয়ৰ বাবে অনুমোদন জনাইছিল।

১০.	প্ৰথম অভিযুক্তৰ বিদ্বান অধিবক্তাই দাবী কৰে যে এ-১-এ ক্ৰয় সমিতিক মেচাৰ্ছ প্ৰিমিয়াৰ এণ্টাৰপ্ৰাইজ আৰু মেচাৰ্ছ এডমাণ্ড এছ. লিংডো- চতুৰ্থ অভিযুক্ত, দুখন প্ৰতিষ্ঠানৰ হাৰ প্ৰতি কিলোগ্ৰামত ৪২.৭৫ টকাৰ হাৰত অনুমোদন দিবলৈ প্ৰৰোচিত কৰিছিল বুলি দেখুৱাব পৰা কোনো প্ৰমাণ নাই আৰু যিহেতু চুক্তিখন সৰ্বনিম্ন নিবিদাকাৰীজনক প্ৰদান কৰা হৈছিল, সেয়েহে এ-১-এ প্ৰতাৰণা কৰি ক্ৰয় সমিতিক ডি.পি.চি. অত্যাধিক মূল্যত ক্ৰয় কৰিবলৈ প্ৰৰোচিত কৰাৰ কোনো প্ৰশ্ন নাছিল আৰু ক্ৰয় সমিতিয়ে নিজেই নিবিদাকাৰীসকলে উদ্ধৃত কৰা মূল্যৰ তুলনামূলক বিবৃতিৰ ভিত্তিত অনুমোদন জনাইছিল যিটো বিষয়াসকলে প্ৰস্তুত কৰিছিল।

১১.	প্ৰতিপক্ষৰ বিদ্বান অধিবক্তাই যুক্তি দিছিল যে প্ৰথম অভিযুক্তই মূল্যৰ উদ্ধৃতিসমূহ ক্ৰয় সমিতিয়ে বিষয়টো গ্ৰহণ কৰাৰ আগতেই উত্থাপন কৰিছিল আৰু নেহুৰ মুখ্য অভিযন্তা হিচাপে প্ৰথম অভিযুক্তই তেতিয়াৰ বজাৰৰ হাৰ জনা উচিত আছিল আৰু ক্ৰয় সমিতিৰ কাৰিকৰী সদস্য হিচাপে প্ৰথম অভিযুক্তই তেতিয়াৰ বজাৰত প্ৰচলিত হাৰত ডি.পি.চি. ক্ৰয় কৰাত অ-কাৰিকৰী সদস্যসকলক সহায় কৰা উচিত আছিল। বিদ্বান অধিবক্তাই দাবী কৰে যে প্ৰথম অভিযুক্তই ক্ৰয় সমিতিক প্ৰতি কিলোগ্ৰামৰ ৪২.৭৫ টকাৰ উৰ্ধ্বগামী হাৰত ডি.পি.চি. ক্ৰয় কৰিবলৈ প্ৰৰোচিত কৰাৰ দোষ প্ৰমাণ কৰিবলৈ অভিযোজন পক্ষই পৰ্যাপ্ত প্ৰমাণ দাখিল কৰিছে।

১২.	পি.ডব্লিউ.-৬ শ্ৰী অ'. ডি. শ্বিৰা, ১৯৮৩ চনৰ সময়ছোৱাত নেহুৰ প্ৰশাসনৰ সহকাৰী পঞ্জীয়ক, ক্ৰয় সমিতিৰ আহ্বায়ক আছিল আৰু তেওঁ ৬.৭.১৯৮৩ তাৰিখে ক্ৰয় সমিতিৰ বৈঠক আহ্বান কৰিছিল। প্ৰদৰ্শক পি১ হৈছে ক্ৰয় সমিতিৰ ৬.৭.১৯৮৩ তাৰিখে অনুষ্ঠিত হোৱা বৈঠকৰ সৈতে জড়িত ফাইল। প্ৰদৰ্শক পি১ (১) অনুসৰি, ডি.পি.চি. ক্ৰয়ৰ কোনো সংকল্প নাছিল। কিন্তু প্ৰথম অভিযুক্তই সামগ্ৰীটো ক্ৰয় সমিতিৰ সন্মুখত দাখিল কৰিবলৈ সক্ষম হয়, যিটো সংকল্প নং

১৪-ত স্থান পাইছিল [প্ৰদৰ্শক পি১ (৫)], যিটো উমছিঙৰ বিভাগীয় চৌহদত ব্যৱহাৰৰ বাবে ডেম্প ছীল ৰাটাৰ প্ৰুফিং কমপাউণ্ড ক্ৰয়ৰ সৈতে জড়িত। ক্ৰয় সমিতিয়ে আপীলকাৰী/চতুৰ্থ অভিযুক্ত আৰু মেচাৰ্চ প্ৰিমিয়াৰ এণ্টাৰপ্ৰাইজ, জোৰাইৰ দ্বাৰা উদ্ধৃত প্ৰতি কিলোগ্ৰামত সৰ্বনিম্ন হাৰ ৪২.৭৫ টকা গৃহীত কৰিছিল। পি.ডব্লিউ.-৬ আৰু পি১(৫)-ত উল্লেখিত সংকল্পৰ প্ৰমাণৰ ভিত্তিত বিচাৰ আদালত আৰু উচ্চ ন্যায়ালয়ে তথ্যৰ সমান্তৰাল ফলাফল লিপিবদ্ধ কৰিছিল যে ক্ৰয় সমিতিয়ে পূৰ্বতে হাৰ অনুমোদন কৰাৰ আগতে ইতিমধ্যে ১ নং অভিযুক্তই মূল্যৰ উদ্ধৃতি আমন্ত্ৰণ জনাইছিল আৰু ক্ৰয় সমিতিৰ কাৰিকৰী সদস্যসকলৰ ভিতৰত এজন হোৱাৰ বাবে এ-১ এ চতুৰ্থ অভিযুক্ত আৰু মেচাৰ্চ প্ৰিমিয়াৰ এণ্টাৰপ্ৰাইজছে প্ৰতি কিলোগ্ৰাম ৪২.৭৫ টকাৰ হাৰত উদ্ধৃত কৰা হাৰ অনুমোদন কৰাৰ বাবে ক্ৰয় সমিতিৰ বৈঠকত সামগ্ৰীটো প্ৰৱৰ্তন কৰিবলৈ সক্ষম হৈছিল কাৰণ এ-১-ক ক্ৰয় সমিতিয়ে বিশ্বাস কৰিছিল।

১৩. ১৯৮০ চনৰ ফেব্ৰুৱাৰীৰ পৰা ১৯৮৪ চনৰ মাৰ্চলৈকে নেহুৰ তেতিয়াৰ পঞ্জীয়ক, পি.ডব্লিউ.-৯, শ্ৰীমতী এম. আৰ. মাৰলঙে উল্লেখ কৰিছিল যে প্ৰথম অভিযুক্ত, মুখ্য অভিযন্তা, ক্ৰয় সমিতিৰ কাৰিকৰী সদস্য আছিল আৰু *"ডি.পি.চি.-ৰ হাৰৰ ক্ষেত্ৰত মুখ্য অভিযন্তা পদত থকা কাৰিকৰী সদস্যৰ পৰামৰ্শৰ ওপৰত ক্ৰয় সমিতি নিৰ্ভৰ কৰিছিল।"* ক্ৰয় সমিতিত কাৰিকৰী সদস্য থকাৰ উদ্দেশ্য আছিল কাৰিকৰী প্ৰকৃতিৰ যিকোনো বিষয়ৰ সৈতে জড়িত অ-কাৰিকৰী সদস্যসকলক সহায় কৰা আৰু তেওঁলোকক উপযোগিতা, প্ৰচলিত হাৰ আৰু প্ৰতিষ্ঠানটোৰ বাবে উক্ত সামগ্ৰীৰ প্ৰয়োজনীয় পৰিমাণৰ সন্দৰ্ভত নিৰ্দেশনা দিয়া। ক্ৰয় সমিতিত কাৰিকৰী সদস্যসকলৰ ভূমিকা প্ৰয়োজনীয় আৰু গুৰুত্বপূৰ্ণ হৈ পৰে আৰু কাৰিকৰী সদস্যসকল অৰ্থাৎ প্ৰথম অভিযুক্ত (দেৱ প্ৰসাদ শৰ্মা) আৰু দ্বিতীয় আৰু তৃতীয় অভিযুক্তসকলে তেওঁলোকৰ কাৰিকৰী জ্ঞান আগবঢ়াব আৰু

ক্ৰয় সমিতিক প্ৰচলিত বজাৰৰ হাৰত মানসম্পন্ন সামগ্ৰী ক্ৰয় কৰাত তেওঁলোকৰ সৰ্বোত্তম মতামত, পৰামৰ্শ আৰু উপদেশ দিব বুলি আশা কৰা হৈছিল। আমি এই যুক্তিৰ কোনো সমল বিচাৰি নাপাওঁ যে কাৰিকৰী সদস্য প্ৰথম অভিযুক্ত আৰু এ-২ আৰু এ-৩-এ ক্ৰয় সমিতিক বিপথে পৰিচালিত কৰিছে আৰু ক্ৰয় সমিতিয়ে ডি.পি.চি. ক্ৰয় কৰাৰ সিদ্ধান্ত নিজেই লৈছিল বুলি দেখুৱাব পৰা একো সমল নাই।

১৪. বিচাৰ আদালত আৰু উচ্চ ন্যায়ালয়ৰ সিদ্ধান্তক ন্যায্যতা প্ৰদান কৰিবলৈ যথেষ্ট প্ৰমাণ আৰু পৰিস্থিতি আছে যে প্ৰথম অভিযুক্তই ক্ৰয় সমিতিক প্ৰৰোচিত কৰি চতুৰ্থ অভিযুক্ত - মেচাৰ্ছ এডমাণ্ড এছ. লিংডো আৰু মেচাৰ্ছ প্ৰিমিয়াৰ এণ্টাৰপ্ৰাইজছৰ উদ্ধৃতি প্ৰতি কিলোগ্ৰামত ৪২.৭৫ টকাৰ উৰ্ধ্বগামী হাৰত অনুমোদন জনায়। এইখিনি কথা দৃঢ় কৰিবলৈ আমি বিচাৰ আদালত আৰু উচ্চ ন্যায়ালয়ে লিপিবদ্ধ কৰা কেইটামান তথ্য আৰু পৰিস্থিতিৰ বিষয়ে চমুকৈ উল্লেখ কৰিব পাৰো:

(i) ক্ৰয় সমিতিৰ দ্বাৰা হাৰৰ অনুমোদনৰ পূৰ্বে, এ-১ৰ দ্বাৰা নিজেই আমন্ত্ৰণ জনোৱা ডিপিচি যোগানৰ বাবে পাঁচটা উদ্ধৃতি ইতিমধ্যে বিদ্যমান আছিল;

(ii) প্ৰদৰ্শক পি১ (১) অনুসৰি, ৬.৭.১৯৮৩ তাৰিখে অনুষ্ঠিত হোৱা ক্ৰয় সমিতিৰ বৈঠকত ডিপিচি ক্ৰয়ৰ বাবে কোনো সংকল্প নাছিল আৰু ডি.পি.চি. ক্ৰয়ৰ সন্দৰ্ভত উক্ত সংকল্পটো প্ৰদৰ্শক পি১ (৫)-ৰ দ্বাৰা প্ৰস্তাৱ নং ১৪-ত প্ৰৱৰ্তন কৰা হৈছিল আৰু ক্ৰয় সমিতিৰ কাৰিকৰী সদস্য হিচাপে এ-১-এ এজেণ্ডা হিচাপে ক্ৰয়ৰ বাবে ডি.পি.চি.-ৰ কথা উল্লেখ কৰিবলৈ সক্ষম হৈছিল;

(iii) প্ৰথম অভিযুক্ত মুখ্য অভিযন্তা হোৱাৰ সত্ত্বেও উদ্ধৃত মূল্যৰ জৰীপৰ জৰিয়তে বা অন্য কোনো পদ্ধতিৰে ডি.পি.চি.-ৰ তেতিয়াৰ প্ৰচলিত বজাৰ হাৰ নিৰ্ণয় কৰিবলৈ বাবে পদক্ষেপ লোৱা নাছিল;

(iv) ডি.পি.চি.-ৰ হাৰৰ সন্দৰ্ভত ক্ৰয় সমিতিয়ে প্ৰথম অভিযুক্ত আৰু আন কাৰীকৰী সদস্যসকলৰ পৰামৰ্শৰ ওপৰত নিৰ্ভৰ কৰিছিল;

(v) প্ৰথম অভিযুক্তই ডি.পি.চি.-ৰ উপলব্ধ মজুত বা নেহুৰ বাবে ডি.পি.চি.-ৰ প্ৰকৃত প্ৰয়োজনীয়তা নিৰ্ণয় কৰা নাছিল;

(vi) প্ৰথম অভিযুক্তজনে ১২ টা প্ৰতিষ্ঠানৰ পৰা উদ্ধৃতি আমন্ত্ৰণ কৰিছিল যাৰ ভিতৰত মাত্ৰ দুটা প্ৰতিষ্ঠানকহে ক্ৰয় সমিতিয়ে অনুমোদন দিছিল।

১৫. এ-১-ৰ বিদ্বান অধিবক্তাই যুক্তি দৰ্শায় যে গোচৰীয়া পক্ষই উত্থাপন কৰা প্ৰমাণৰ পৰা নিৰ্ণায়কভাৱে ক'ব নোৱাৰি যে সেই সময়ত প্ৰতি কিলোগ্ৰামত ডি.পি.চি.-ৰ প্ৰচলিত বজাৰ হাৰ আছিল ৫/-ৰ পৰা ৬/- টকা, কাৰণ সেই সন্দৰ্ভত কোনো নথিপত্ৰ প্ৰমাণ বা মুকলি বজাৰত ডি.পি.চি.-ৰ কোনো মূল্য তালিকা গোচৰীয়া পক্ষই উত্থাপন কৰা নাছিল আৰু তাৰ মাজতে আদালতে মৌখিক সাক্ষ্যৰ ভিত্তিত এ-১-ক দোষী সাব্যস্ত কৰাত গুৰুতৰ ভুল কৰিছে। ইয়াৰ উপৰিও যুক্তি দিয়া হৈছিল যে উচ্চ ন্যায়ালয়ে প্ৰথম অভিযুক্তৰ বিৰুদ্ধে পৰিস্থিতিৰ শৃংখলাৰ সংযোগ সম্পূৰ্ণ কৰিবলৈ ফৌজদাৰী কাৰ্য্যবিধি আইনৰ ৩১৩ ধাৰাৰ অধীনত লিপিবদ্ধ কৰা এ-১-ৰ উত্তৰসমূহৰ ওপৰত নিৰ্ভৰ কৰি ভুল কৰিছিল।

১৬. শ্বিলঙত ডি.পি.চি.-ৰ তেতিয়াৰ বজাৰ হাৰ প্ৰতি কিলোগ্ৰামত ৫/-ৰ পৰা ১০/- টকাৰ ভিতৰত আছিল বুলি প্ৰমাণ কৰিবলৈ গোচৰীয়া পক্ষই পৰ্যাপ্ত প্ৰমাণ দাখিল কৰিছে। গোচৰীয়া

পক্ষৰ ৫ নং সাক্ষী শ্ৰী সতিন্দৰ বাৰা হৈছে বাৰা পেইণ্টছ প্ৰাইভেট লিমিটেড ফাৰ্মৰ সঞ্চালক যিয়ে ১৯৬৫ চনৰ পৰা ৰং আৰু ৰাটাৰ প্ৰুফ কম্পাউণ্ড প্ৰস্তুত কৰে আৰু তেওঁৰ প্ৰতিষ্ঠানসমূহৰ সামগ্ৰীসমূহ মেচাৰ্ছ প্ৰিমিয়াৰ এণ্টাৰপ্ৰাইজ আৰু অন্যান্যকে ধৰি বিভিন্ন বিতৰণকাৰীক আৰু মেঘালয় আৰু জোৱাই অঞ্চলকে ধৰি সমগ্ৰ উত্তৰ-পূব ৰাজ্যত বিক্ৰী কৰা হয় আৰু ১৯৮২-১৯৮৩ চনৰ সময়ছোৱাতো সামগ্ৰীসমূহ বিক্ৰী কৰা হৈছিল। পি.ডব্লিউ. ৫-য়ে তেওঁৰ সাক্ষ্যত উল্লেখ কৰিছিল যে ১৯৮২-১৯৮৪ চনৰ ভিতৰত দিল্লীত ৫০ কিলোগ্ৰাম ডেম্প প্ৰুফ চিমেণ্ট ৮০/- টকাৰ পৰা ৮৫/- টকাৰ লগতে কৰ আৰু এক কিলোগ্ৰামৰ পেকেট, যিটো পূৰ্বে দিল্লীত ২.৮০/- টকাৰ পৰা ৩.৮০/- টকাত বিক্ৰী কৰা হৈছিল। পি.ডব্লিউ. ৫-য়ে আৰু কয় যে শ্বিলঙত, প্ৰতি কিলোগ্ৰাম ডি.পি.চি.-ৰ হাৰ তেতিয়া কৰ, পৰিবহণ আৰু লাভকে ধৰি প্ৰতি কিলোগ্ৰামত ৬/- টকাৰ পৰা ৭/- টকাৰ ভিতৰত হ'ব।

১৭. পি.ডব্লিউ. ১৬, শ্ৰী সন্তোষ কুমাৰ চাচান, শ্বিলঙৰ বৰাবাজাৰৰ মেচাৰ্ছ গজানন্দ চাচানৰ স্বত্বাধিকাৰী যিয়ে ৰাটাৰ প্ৰুফ চিমেণ্টকে ধৰি হাৰ্ডৱেৰ, ৰং আৰু নিৰ্মাণ সামগ্ৰীৰে ব্যৱসায় কৰে। পি.ডব্লিউ. ৫-ৰ সাক্ষ্য অনুসৰি, পি.ডব্লিউ. ১৬ গজানন্দ চাচানো সেই প্ৰতিষ্ঠানসমূহৰ ভিতৰত অন্যতম য'ত পি.ডব্লিউ. ৫-য়ে ডি.পি.চি. আৰু পেইণ্ট যোগান ধৰিছিল। পি.ডব্লিউ. ৫-ৰ সাক্ষ্য সমৰ্থন কৰি, পি.ডব্লিউ. ১৬-য়ে সাক্ষ্য প্ৰদান কৰি কয় যে ১৯৮২-১৯৮৪ চনত তেওঁৰ প্ৰতিষ্ঠানটোৱে ৰাটাৰ প্ৰুফ চিমেণ্টৰ ব্যৱসায় কৰিছিল আৰু তেওঁ ১৯৮৩-১৯৮৪ চনত দিল্লী, কলিকতাৰ পৰা আৰু কেতিয়াবা গৌহাটীৰ পৰা ৰং আৰু ৰাটাৰ প্ৰুফ চিমেণ্ট ক্ৰয় কৰিছিল, আৰু সেই সময়ছোৱাত ৰাটাৰ প্ৰুফ চিমেণ্টৰ মূল্য প্ৰতি কিলোগ্ৰাম ৫/- টকা আছিল, যাক শ্বিলঙত বিক্ৰী কৰা হৈছিল। পি.ডব্লিউ. ৫ আৰু ১৬-ৰ সাক্ষ্যৰ পৰা ব্যাপকভাৱে প্ৰতিষ্ঠিত হৈছে যে সংশ্লিষ্ট

সময়ত দিল্লীত প্ৰতি কিলোগ্ৰামত ডি.পি.চি.-ৰ বজাৰ হাৰ আছিল ২.৮০/-ৰ পৰা ৩.৮০/- টকা আৰু শ্বিলঙত, হাৰ আছিল ৬/-ৰ পৰা ৭/- প্ৰতি কিলোগ্ৰামত আৰু প্ৰতি কিলোগ্ৰামত ৪২.৭৫ টকাৰ হাৰ অতিৰিক্ত আৰু চতুৰ্থ অভিযুক্তই দাখিল কৰা আৰু প্ৰথম অভিযুক্তই গ্ৰহণ কৰা মূল্যৰ উদ্ধৃতিসমূহৰ উদ্দেশ্য অসৎ আছিল।

১৮. পি.ডব্লিউ. ৫ আৰু ১৬-ৰ সাক্ষ্যৰ পৰীক্ষা কৰি তেতিয়াৰ বজাৰৰ হাৰ নিৰ্ধাৰণ কৰাৰ উপৰিও গোচৰীয়া পক্ষই পি.ডব্লিউ. ১৩ শ্ৰী এন. পি. গাৰ্গৰো পৰীক্ষা কৰিছে, যি ১৯৮৪ চনৰ পৰা নেহুত কাৰ্যবাহী অভিযন্তা হিচাপে কাম কৰি আহিছে আৰু যি নিৰ্মাণৰ কামত ডেম্প ছীল চিমেণ্টৰ ব্যৱহাৰৰ বিষয়েও অৱগত। পি.ডব্লিউ. ১৩, প্ৰদৰ্শক পি৫-ৰ জৰিয়তে, ৬.৯.১৯৮৩ তাৰিখৰ সময়ছোৱাত ৱাহজৰাইনত গ্ৰহণ কৰা ইনটেক ৱাটাৰ টেংকৰ নিৰ্মাণৰ কামৰ বাবে ৱৰ্ক ফাইল আৰু ৭ (১৭) নং উপাদানৰ দ্বাৰা প্ৰতি কিলোগ্ৰামত ১০/- টকা অন্যান্য আইটেমৰ লগতে ৱাটাৰ প্ৰুফিং কমপাউণ্ড (ডি.পি.চি.)-ৰ বাবে পৰিশোধ কৰা হৈছিল আৰু কামটো ঠিকাদাৰ হাঁসৰাজ জৈনে কৰিছিল আৰু তেওঁক ধনৰাশি পৰিশোধ কৰা হৈছিল। পি.ডব্লিউ. ১৩-ৰ সাক্ষ্য আৰু প্ৰদৰ্শক পি৫-ৰ প্ৰমাণৰ উল্লেখ কৰি বিচাৰ আদালত আৰু উচ্চ ন্যায়ালয়ে তথ্যৰ ফলাফল লিপিবদ্ধ কৰিছিল যে প্ৰতিপক্ষই তেওঁৰ বিশ্বাসযোগ্যতাক প্ৰতিহত কৰা নাছিল বা প্ৰদৰ্শক পি৫, বিলখনক প্ৰত্যাহ্বান জনোৱা নাছিল য'ত ৱাটাৰ প্ৰুফিং কমপাউণ্ড ডি.পি.চি.-ৰ বাবে প্ৰতি কিলোগ্ৰামত ১০/- টকা পৰিশোধ কৰা হৈছিল আৰু প্ৰদৰ্শক পি৫ সমৰ্থনকাৰী প্ৰমাণ হ'ব যিহেতু ১৯৮৩ চনৰ সময়ছোৱাত ৱাটাৰ প্ৰুফিং কমপাউণ্ড (ডি.পি.চি.)-ৰ হাৰ প্ৰতি কিলোগ্ৰামত ১০/- টকা আছিল। পি.ডব্লিউ. ৫ আৰু ১৬, ডি.পি.চি.-ৰ ব্যৱসায়ীসকল, আৰু পি.ডব্লিউ. ১৩-ই উল্লেখ কৰা পূৰ্বৰ ৱৰ্ক ফাইলৰ পৰা

(প্ৰদৰ্শক পি৫), গুচৰীয়া পক্ষই স্পষ্টভাৱে প্ৰতিষ্ঠা কৰিছে যে তেতিয়া ডি.পি.চি.-ৰ প্ৰচলিত বজাৰ হাৰ প্ৰতি কিলোগ্ৰামত ৫/-ৰ পৰা ১০/- টকা আছিল।

১৯. বিচাৰ আদালতে আঙুলিয়াই দিয়াৰ দৰে ৬.০৭.১৯৮৩ তাৰিখে অনুষ্ঠিত হোৱা ক্ৰয় সমিতিৰ বৈঠকত ডি.পি.চি. ক্ৰয়ৰ বিষয়টো স্থাপন কৰাৰ আগতে প্ৰথম অভিযুক্তই কোনো জৰীপ কৰা হোৱা নাছিল বা তেতিয়া প্ৰচলিত বজাৰ হাৰ নিৰ্ণয় কৰিবলৈ আন কোনো পদ্ধতি গ্ৰহণ কৰা নাছিল। ফৌজদাৰী কাৰ্যবিধি আইনৰ ৩১৩ ধাৰাৰ অধীনত সোধপোচৰ সময়ত যেতিয়া প্ৰথম অভিযুক্তক ডি.পি.চি.-ৰ সেই সময়ত প্ৰচলিত বজাৰ হাৰ সম্পৰ্কে সোধপোচ কৰা হৈছিল, প্ৰথম অভিযুক্তই কৈছিল যে তেওঁ সেই বিষয়ে অৱগত নাছিল। সেই কথা প্ৰসংগত উচ্চ ন্যায়ালয়ে লক্ষ্য কৰিছিল যে এইটো এটা ৰক্ষণাত্মক উত্তৰ আৰু পৰিস্থিতিৰ শৃংখল সম্পূৰ্ণ কৰিবলৈ ইয়াক অভিযুক্তৰ বিৰুদ্ধে প্ৰমাণ হিচাপে লোৱা হৈছিল।

২০. ফৌজদাৰী কাৰ্যবিধি আইনৰ ধাৰা ৩১৩-ৰ অধীনত লিপিবদ্ধ কৰা প্ৰথম অভিযুক্তৰ বক্তব্যক প্ৰমাণ হিচাপে লোৱাৰ বাবে যুক্তি দিয়া হৈছিল যে ফৌজদাৰী কাৰ্যবিধি আইনৰ ধাৰা ৩১৩-ৰ অধীনত দিয়া বক্তব্যক অভিযুক্তৰ বিৰুদ্ধে অভিযোগ প্ৰমাণকাৰী সাক্ষ্য হিচাপে ল'ব নোৱাৰি। অৱশ্যেই উচ্চ ন্যায়ালয়ে ফৌজদাৰী কাৰ্যবিধি আইনৰ ধাৰা ৩১৩-ৰ অধীনত তেওঁক কৰা জেৰাত দিয়া প্ৰথম অভিযুক্তৰ বক্তব্যৰ বিষয়ে বিস্তৃতভাৱে উল্লেখ কৰিছিল আৰু তলত দিয়া ধৰণে মত প্ৰদান কৰিছিল:-

> *"এ-১-এ এই সন্দৰ্ভত এটা শব্দও উচ্চাৰণ কৰা নাছিল যে সেই সময়ত শ্বিলঙত ডি.পি.চি.-ৰ বজাৰ হাৰ ৫/-ৰ পৰা ১০/- টকাৰ ভিতৰত আছিল। তেওঁ কেৱল কৈছিল যে তেওঁ সেই সময়ত ডি.পি.চি.-ৰ বজাৰ হাৰৰ বিষয়ে তেওঁ অৱগত নাছিল বা ৪২.৭৫ টকা ডি.পি.চি.-ৰ গ্ৰহণযোগ্য আৰু অনুমোদিত হাৰ আছিল। এই*

*এৰাই চলিবৰ উদ্দেশ্যেৰে দিয়া উত্তৰবোৰ, পি.ডব্লিউ. ৬ আৰু ১৩-ৰ সাক্ষ্যৰ প্ৰমাণ আৰু প্ৰদৰ্শক পি৫-ৰ উপাদান নং ৭(১৭)-ৰ সৈতে একত্ৰিত কৰি, এ-১-ৰ বিৰুদ্ধে পৰিস্থিতিৰ শৃংখলাৰ সংযোগটো সম্পূৰ্ণ কৰে।”*

এনেদৰে পৰ্যবেক্ষণ কৰাৰ পিছত উচ্চ ন্যায়ালয়ে ৰায় দিছিল যে ফৌজদাৰী কাৰ্যবিধি আইনৰ ৩১৩ ধাৰাৰ অধীনত দিয়া সেই অসাৰ উত্তৰবোৰ সাক্ষ্যৰ সৈতে একেলগে লোৱা হৈছে, যি এ-১-ৰ বিৰুদ্ধে পৰিস্থিতিৰ শৃংখলাৰ সংযোগ সম্পূৰ্ণ কৰে।

২১. য'ত অভিযুক্তই ফৌজদাৰী কাৰ্য্যবিধি আইনৰ ৩১৩ ধাৰাৰ অধীনত কৰা জেৰাত ৰক্ষণাত্মক উত্তৰ দিয়ে, তেনে ক্ষেত্ৰত তেওঁৰ বিৰুদ্ধে বিৰূপ অনুমান কৰিব পাৰি। কিন্তু এনে অনুমান অভিযুক্তৰ অপৰাধৰ প্ৰমাণৰ বাবে গোচৰীয়া পক্ষই উত্থাপন কৰিবলগীয়া প্ৰমাণৰ বিকল্প হ'ব নোৱাৰে। ফৌজদাৰী কাৰ্যবিধি আইনৰ ৩১৩ ধাৰাৰ অধীনত দিয়া জবানবন্দী প্ৰমাণ নহয়। *বলৱন্ত বনাম উত্তৰ প্ৰদেশ চৰকাৰ* (২০০৭) ১১ এছ.চি.চি. ৯৭৪ গোচৰত এই আদালতে ৰায় দিছিল যে অভিযুক্তক কেৱল ফৌজদাৰী কাৰ্যবিধি আইনৰ ৩১৩ ধাৰাৰ অধীনত লিপিবদ্ধ কৰা তেওঁৰ জবানবন্দীৰ ওপৰত ভিত্তি কৰি দোষী সাব্যস্ত কৰিব নোৱাৰি, যিটোক প্ৰমাণ হিচাপে গণ্য কৰিব নোৱাৰি। এয়া অভিযুক্তৰ বিৰুদ্ধে উত্থাপিত অভিযোগমূলক প্ৰমাণ/পৰিস্থিতিৰ বিষয়ে ব্যাখ্যা কৰা অভিযুক্তৰ স্থিতি বা সংস্কৰণহে। ফৌজদাৰী কাৰ্য্যবিধি আইনৰ ৩১৩ ধাৰাৰ অধীনত অভিযুক্তই প্ৰতিৰক্ষাৰ বাবে দিয়া জবানবন্দীক গোচৰীয়া পক্ষই দিয়া অন্যান্য সাক্ষ্যৰ বিশ্বাসযোগ্যতা প্ৰমাণ কৰিবলৈ নিশ্চয়কৈ ব্যৱহাৰ কৰিব পাৰি। ফৌজদাৰী কাৰ্য্যবিধি আইনৰ ৩১৩ ধাৰাৰ অধীনত দিয়া জবানবন্দীক পৃথকে নহয়, গোচৰীয়া পক্ষৰ অন্যান্য সাক্ষ্যৰ সৈতে সংগতি ৰাখি বিবেচনা কৰিব লাগিব।

২২. বৰ্তমানৰ গোচৰটোত উচ্চ ন্যায়ালয়ে ফৌজদাৰী কেৱল কাৰ্যবিধি আইনৰ ৩১৩ ধাৰাৰ অধীনত প্ৰথম অভিযুক্তই দিয়া জবানবন্দিৰ ওপৰতে ভিত্তি কৰি এই সিদ্ধান্তত উপনীত হোৱা নাই। ওপৰত উদ্ধৃত উচ্চ ন্যায়ালয়ৰ যুক্তিৰ পৰা দেখা যায় যে ফৌজদাৰী কাৰ্যবিধি আইনৰ ধাৰা ৩১৩-ৰ অধীনত প্ৰথম অভিযুক্তৰ বক্তব্যক পি.ডব্লিউ. ৬ আৰু ১৩ আৰু প্ৰদৰ্শন পি৫-ৰ উপাদান ৭(১৭)-ৰ সাক্ষ্যক এ-১-ৰ বিৰুদ্ধে পৰিস্থিতিৰ শৃংখলা সম্পূৰ্ণ কৰাৰ সংযোগ হিচাপে লোৱা হৈছিল। পূৰ্বে বিশদভাৱে কোৱাৰ দৰে প্ৰথম অভিযুক্তই দিয়া উত্তৰবোৰ পৃথকে পৃথকে নহয় কিন্তু অন্যান্য মৌখিক আৰু নথিভুক্ত প্ৰমাণৰ সৈতে সংগতি ৰাখি বিবেচনা কৰা হৈছিল। আমি এই যুক্তিত কোনো সমল বিচাৰি নাপাওঁ যে উচ্চ ন্যায়ালয়ে ফৌজদাৰী কাৰ্য্যবিধি আইনৰ ৩১৩ ধাৰাৰ অধীনত প্ৰথম অভিযুক্তৰ বক্তব্যক পৰিস্থিতিৰ শৃংখল সম্পূৰ্ণ কৰাৰ বাবে এটা সংযোগ হিচাপে লৈ ভুল কৰিছিল।

২৩. মৌখিক আৰু নথিপত্ৰৰ প্ৰমাণৰ ভিত্তিত বিচাৰ আদালত আৰু উচ্চ ন্যায়ালয়ে সমান্তৰালভাৱে তথ্য লিপিবদ্ধ কৰিছিল যে অকাৰিকৰী সদস্যৰে গঠিত ক্ৰয় সমিতিখনক, প্ৰথম অভিযুক্ত কাৰিকৰী সদস্য হোৱাৰ বাবে ক্ৰয় সমিতিখনক প্ৰতি কেজিত ৪২.৭৫ টকাৰ বৰ্দ্ধিত হাৰত ডি.পি.চি. ক্ৰয় কৰিবলৈ প্ৰৰোচিত কৰাত প্ৰধান আৰু গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল, যি সময়ত প্ৰচলিত বজাৰৰ হাৰ আছিল প্ৰতি কে.জি.-ত ৫/-ৰ পৰা ১০/- টকা আৰু আদালতে লিপিবদ্ধ কৰা সমান্তৰাল তথ্যসমূহত আমি কোনো বিকৃতি দেখা নাপাওঁ।

২৪. অনুমোদনৰ বৈধতাৰ সন্দৰ্ভত যুক্তি: প্ৰদৰ্শক পি১৯ এ-১-ৰ বিৰুদ্ধে গোচৰৰ বিচাৰৰ বাবে অনুমোদনৰ আদেশ আৰু সেয়া মেঘালয় চৰকাৰৰ তেতিয়াৰ মুখ্য সচিবৰ স্বাক্ষৰিত আছিল।

পি.ডব্লিউ. ১৮, মেঘালয় চৰকাৰৰ ৰাজনৈতিক বিভাগৰ সচিব শ্ৰী খাৰকনগোৰক পৰীক্ষা কৰা হৈছিল, যাৰ জৰিয়তে প্ৰদৰ্শিন পি৯ অনুমোদন আদেশ প্ৰদৰ্শন কৰা হৈছিল।

২৫. এ-১-ৰ হৈ বিদ্বান অধিবক্তাই যুক্তি দিছিল যে পি.চি. আইনৰ ৬ নং ধাৰাত “পূৰ্ব অনুমোদন নোপোৱালৈকে কোনো আদালতে অপৰাধৰ বিষয়ে বিবেচনা নকৰে.....।” আৰু এ-১-ৰ ক্ষেত্ৰত, মুখ্য সচিবে এ-১-ক আঁতৰোৱাৰ যোগ্য কৰ্তৃপক্ষ নহয় আৰু এ-১-ক ৰাজ্যপালে নিযুক্তি দিছিল আৰু মেঘালয়ৰ ৰাজ্যপাল হৈছে নিযুক্তি কৰ্তৃপক্ষ, আৰু সেয়েহে অনুমোদন ৰাজ্যপালৰ সন্তুষ্টিৰ আধাৰত হ'ব লাগে আৰু মুখ্য সচিব হৈছে কেৱল অনুমোদন সম্পৰ্কে অৱগত কৰোৱা কৰ্তৃপক্ষ আৰু গুচৰীয়া পক্ষই নিযুক্তি কৰ্তৃপক্ষ – মেঘালয়ৰ ৰাজ্যপাল, এ-১-ৰ বিৰুদ্ধে গোচৰৰ বাবে অনুমোদন জনোৱাৰ বাবে প্ৰাসংগিক তথ্য তেওঁৰ সন্মুখত ৰখা হৈছিল বাবে, সন্তুষ্ট আছিল বুলি দেখুৱাবলৈ কোনো তথ্য দাখিল কৰা নাই।

২৬. প্ৰতিপক্ষৰ বিদ্বান অধিবক্তাই আমাক পি.ডব্লিউ. ১৮ প্ৰমাণ দেখুৱাইছিল আৰু দাবী কৰিছিল যে মুখ্য সচিবজনে তেওঁৰ সন্মুখত ৰখা কেন্দ্ৰীয় অনুসন্ধান সংস্থা (চি.বি.আই.)-ৰ প্ৰতিবেদন আৰু ফাইলৰ টোকাপত্ৰত প্ৰতিফলিত হোৱা অন্যান্য সামগ্ৰীৰ ভিত্তিত অনুমোদন প্ৰদান কৰিছিল আৰু তাৰ পিছত এ-১-ৰ বিৰুদ্ধে গোচৰ চলোৱাৰ বাবে অনুমোদন প্ৰদান কৰিছিল আৰু এ-১-ৰ বিৰুদ্ধে গোচৰ চলোৱাৰ বাবে বৈধ অনুমোদন আছে। পি.ডব্লিউ. ১৮-ৰ সাক্ষ্যৰ কথা উল্লেখ কৰি আদালতে লক্ষ্য কৰে যে তেতিয়াৰ মুখ্য সচিবজনে ফাইলৰ টোকাবস্তুত প্ৰতিফলিত হোৱা কেন্দ্ৰীয় অনুসন্ধান সংস্থা (চি.বি.আই.)-ৰ প্ৰতিবেদনৰ ভিত্তিত অনুমোদন প্ৰদান কৰিছিল আৰু অনুমোদন আদেশত কোনো দুৰ্বলতা নাই।

২৭. ভাৰতীয় সংবিধানৰ ১৬৬ (২) অনুচ্ছেদ অনুসৰি ৰাজ্যপালৰ নামত দিয়া আৰু কাৰ্যকৰী কৰা সকলো আদেশ আৰু অন্যান্য দলিল ৰাজ্যপালে প্ৰস্তুত কৰিবলগীয়া নিয়মত, উল্লেখ কৰা ধৰণেৰে প্ৰমাণিত কৰা হ'ব আৰু এনেদৰে প্ৰমাণিত কৰা কোনো আদেশ বা দলিলৰ বৈধতাক এই ভিত্তিত প্ৰশ্ন উত্থাপন কৰা নহ'ব যে সেয়া ৰাজ্যপালে প্ৰস্তুত কৰা বা কাৰ্যকৰী কৰা কোনো আদেশ বা দলিল নহয়। পি.ডব্লিউ. ১৮-ক কোৱা হোৱা নাছিল যে মুখ্য সচিবৰ ৰাজ্যপালৰ নামত দিয়া আৰু কাৰ্যকৰী কৰা আদেশ আৰু দলিলসমূহ প্ৰমাণিকৰণ কৰাৰ কোনো ক্ষমতা নাই। বিচাৰৰ সময়ত প্ৰথম অভিযুক্তজনেও ফাইলটো দাখিল কৰাৰ ওপৰত জোৰ দিয়া নাছিল বা অনুমোদন আদেশটো ৰাজ্যপালে অনুমোদন দিয়া নাছিল বুলি দাবী কৰা নাছিল। ভাৰতৰ সংবিধানৰ ১৬৬ নং অনুচ্ছেদৰ কথা উল্লেখ কৰি বিচাৰ আদালতে লক্ষ্য কৰিছিল যে ৰাজ্যখনত কিছুমান নিয়ম থাকিব লাগিব য'ত ৰাজ্য চৰকাৰৰ কিছুমান বিষয়াই ৰাজ্যপালৰ নামত দিয়া আৰু কাৰ্যকৰী কৰা আদেশ আৰু অন্যান্য দলিলৰ প্ৰমাণিকৰণ কৰিব, বিচাৰ আদালতে অনুমোদনৰ বৈধতাক প্ৰত্যাহ্বান জনোৱা প্ৰথম অভিযুক্তৰ যুক্তি প্ৰত্যাখ্যান কৰিছিল। প্ৰথম অভিযুক্তৰ বিৰুদ্ধে গোচৰ চলোৱাৰ বাবে অনুমোদনৰ বৈধতাক প্ৰত্যাহ্বান জনোৱা বিতৰ্কত আমি কোনো যোগ্যতা বিচাৰি নাপাওঁ।

২৮. এজাহাৰ দাখিল কৰাত পলম হোৱাৰ সন্দৰ্ভত যুক্তি: অভিযুক্ত এ-১-এ অন্যান্য অভিযুক্ত ব্যক্তিসকলৰ সৈতে গোপন বুজাবুজি কৰি ১২.১২.১৯৮২ তাৰিখে ১২ টা প্ৰতিষ্ঠানৰ পৰা ডেম্প প্ৰুফ চিমেণ্ট (ডি.পি.চি.) যোগানৰ বাবে মূল্যৰ উদ্ধৃতি আমন্ত্ৰণ জনায়, যি ডি.পি.চি. ১৯৮২ চনৰ পৰা ১৯৮৫ চনৰ মাজভাগলৈকে ক্ৰয় কৰা হৈছিল। মেঘালয়ৰ শ্বিলঙৰ নেহুৰ উপাচাৰ্য্য ড° বি. ডি.

শৰ্মাৰ দ্বাৰা ৩.৭.১৯৮৫ তাৰিখে প্ৰদৰ্শক পি১১ গোচৰ ৰুজু কৰা হৈছিল আৰু  এজাহাৰ পঞ্জীয়ন কৰা হৈছিল। আপীলকাৰী/প্ৰথম অভিযুক্তৰ হৈ যুক্তি দিয়া হৈছিল যে এজাহাৰখন প্ৰায় দুবছৰৰ পিছত পঞ্জীয়ন কৰা হৈছিল, যাৰ ফলত ইয়াৰ সত্যতাৰ ওপৰত গুৰুতৰ সন্দেহৰ সৃষ্টি হয়, বিশেষকৈ যিহেতু, যিজন উপাচাৰ্য্যৰ অভিযোগৰ ভিত্তিত এজাহাৰখন পঞ্জীয়ন কৰা হৈছিল, তেওঁক সাক্ষী হিচাপে পৰীক্ষা কৰা হোৱা নাছিল।

২৯. ইয়াৰ বিপৰীতে, গোচৰীয়া পক্ষৰ বিদ্বান অধিবক্তাই দাবী কৰে যে ১৯৮২ চনৰ পৰা ১৯৮৫ চনৰ মাজভাগলৈকে ডি.পি.চি. ক্ৰয় কৰা হৈছিল আৰু অপৰাধটো এক অবিৰত/চলন্ত অপৰাধ আৰু সেয়ে এজাহাৰ দাখিল কৰাত পলম হৈছিল বুলি ক'ব নোৱাৰি আৰু অভিযোগকাৰী-উপাচাৰ্য্যক সাক্ষী হিচাপে পৰীক্ষা নকৰাৰ বাবে গোচৰটোৰ কোনো গুৰুতৰ ক্ষতি হোৱা নাছিল।

৩০. কেৱল এজাহাৰ দাখিল কৰাত পলম কৰাটো গোচৰটোৰ বাবে ক্ষতিকাৰক নহয়। প্ৰতিপক্ষ – চি.বি.আই.-ৰ বিদ্বান অধিবক্তাই সঠিকভাৱে দাবী কৰা মতে, ১৯৮২ চনৰ পৰা ১৯৮৫ চনৰ মাজভাগলৈকে ডি.পি.চি. যোগান ধাৰাবাহিকভাৱে কৰা হৈছিল আৰু ই এক অবিৰত অপৰাধ আছিল। অবিৰত অপৰাধৰ বিষয়ত অভিযোগ দাখিল কৰাৰ বাবে কোনো সময়সীমা নিৰ্ধাৰণ কৰিব নোৱাৰি। অন্য অভিযুক্ত ব্যক্তিসকলৰ সৈতে গোপন বুজাবুজিৰে প্ৰথম অভিযুক্তই প্ৰতি কিলোগ্ৰাম ৪২.৭৫ টকাৰ অত্যধিক হাৰত ডি.পি.চি. ক্ৰয় কৰিবলৈ ক্ৰয় সমিতিক প্ৰৰোচিত কৰে আৰু যেতিয়া ষড়যন্ত্ৰটো সমুখলৈ আহে, তেতিয়াহে উপাচাৰ্য্যই অভিযোগ দাখিল কৰে। ক্ষমতাৰ অপব্যৱহাৰ আৰু আৰ্থিক সুবিধা লাভ কৰা বা অন্যায়ভাৱে ক্ষতিসাধন কৰাৰ ক্ষেত্ৰত অভিযোগ দাখিল কৰাৰ সময় আৰু এজাহাৰ পঞ্জীয়নৰ সময়ক হত্যা, ডকাইটি আৰু আক্ৰমণ আদি অন্যান্য গোচৰৰ দৰে অভিযোগ দাখিল কৰাৰ পৰ্যায়ত বিবেচনা কৰিব নোৱাৰি, য'ত অতিৰঞ্জন আৰু

অলংকৰণ সোমাই পৰাৰ সম্ভাৱনা থাকে। বিভাগীয় পদত অধিষ্ঠিত ব্যক্তিসকলে পদৰ অপব্যৱহাৰ কৰা আৰু অন্যায়ভাৱে লোকচানৰ সৃষ্টি কৰা গোচৰ আধাৰিত হয় নথিভুক্ত প্ৰমাণ আৰু আন বিভাগীয় সাক্ষীৰ মৌখিক প্ৰমাণৰ ওপৰত আৰু তাত অলংকৰণ বা সজ্জিত সংস্কৰণ প্ৰৱৰ্তনৰ কোনো সম্ভাৱনা নাই। এজাহাৰ দাখিল কৰাত পলম হোৱাৰ ফলত গুচৰীয়া পক্ষৰ গোচৰৰ সত্যতাক লৈ সন্দেহৰ সৃষ্টি হয় বুলি কৰা যুক্তিৰ কোনো ভিত্তি আমি বিচাৰি নাপাওঁ।

৩১. ধাৰা ৫(১)(ডি)-ৰ অধীনত অপৰাধৰ মূল কথাটো হ'ল যে এজন চৰকাৰী বিষয়াই চৰকাৰী সেৱক হিচাপে নিজৰ পদৰ অত্যাচাৰ কৰি নিজৰ বাবে বা আন কোনো ব্যক্তিৰ বাবে কোনো মূল্যৱান বস্তু বা আৰ্থিক সুবিধা লাভ কৰে। 'অত্যাচাৰ' শব্দটোৰ অৰ্থ হ'ল, নিজৰ পদৰ অপব্যৱহাৰ অৰ্থাৎ এনে কোনো বস্তুৰ বাবে ব্যৱহাৰ কৰা যাৰ বাবে ইয়াৰ উদ্দেশ্য নাই। মৌখিক আৰু নথিভুক্ত প্ৰমাণৰ ভিত্তিত বিচাৰ আদালত আৰু উচ্চ ন্যায়ালয়ে একেলগে পোৱা তথ্য লিপিবদ্ধ কৰে যে প্ৰথম অভিযুক্ত, মুখ্য অভিযন্তা ক্ৰয় সমিতিৰ কাৰিকৰী সদস্য হোৱাৰ বাবে ক্ৰয় সমিতিক তেতিয়া ডি.পি.চি.-ৰ বজাৰত প্ৰচলিত হাৰৰ বিষয়ে পৰামৰ্শ দিয়াটো তেওঁৰ কৰ্তব্য আছিল, যাতে নেহুক বজাৰৰ হাৰত ডি.পি.চি. ক্ৰয় কৰিবলৈ সক্ষম কৰিব পৰা যায়। প্ৰথম অভিযুক্তই অপৰাধ সংঘটিত কৰাৰ বাবে মূলতঃ দায়ী আছিল আৰু প্ৰথম অভিযুক্তই মুখ্য অভিযন্তা আৰু কাৰিকৰী সদস্য হিচাপে নিজৰ পদৰ অপব্যৱহাৰ কৰি স্থানীয় বজাৰত প্ৰতি কে.জি.-ত ৫/- টকাৰ পৰা ১০/- টকা মূল্যত উপলব্ধ হোৱা ডি.পি.চি. প্ৰতি কিলোগ্ৰামত ৪২.৭৫ টকাৰ বৰ্দ্ধিত হাৰ অনুমোদন কৰাইছিল আৰু এ-১-এ নিজৰ আৰু লগতে অভিযুক্ত ৪ আৰু ৫-ৰ আৰ্থিক সুবিধা লাভ কৰি নেহুৰ ৪৯ লাখ টকাৰ অন্যায়ভাৱে লোকচান কৰিছিল। প্ৰথম অভিযুক্তজনক ভাৰতীয় দণ্ডবিধিৰ ধাৰা ১২০বি. আৰু ভাৰতীয় দণ্ডবিধিৰ ৪২০ অধীনত আৰু লগতে পি.চি. আইনৰ ধাৰা ৫(২)(ডি)-ৰ অধীনত

সঠিকভাৱে দোষী সাব্যস্ত কৰা হৈছিল। অপৰাধৰ গুৰুতৰতা আৰু নেহুৰ লোকচানৰ পৰিসৰৰ প্ৰতি লক্ষ্য ৰাখি উচ্চ ন্যায়ালয়ে সঠিকভাৱে প্ৰথম অভিযুক্তজনক দোষী সাব্যস্ত কৰা বিভিন্ন অপৰাধৰ বাবে আৰোপ কৰা কাৰাদণ্ডৰ শাস্তি বৃদ্ধি কৰিছিল আৰু আমি তাত হস্তক্ষেপ কৰাৰ কোনো কাৰণ বিচাৰি নাপাওঁ। প্ৰথম অভিযুক্তই দাখিল কৰা আৰু এতিয়া তেওঁৰ আইনী প্ৰতিনিধিৰ দ্বাৰা আগবঢ়োৱা আবেদন বিফল হয় আৰু একেটা খাৰিজ কৰা হয়।

৩২. চতুৰ্থ অভিযুক্ত এডমাণ্ড এছ. লিংডোৰ বাবে ফৌজদাৰী আপীলৰ সন্দৰ্ভত: মেচাৰ্ছ এডমাণ্ড এছ. লিংডোৰ স্বত্তাধিকাৰী চতুৰ্থ অভিযুক্ত এডমাণ্ড এছ. লিংডোই প্ৰতি কিলোগ্ৰাম ৪২.৭৫ টকাৰ হাৰত নেহুক ডি.পি.চি. যোগান ধৰিছিল। ডি.পি.চি.-ৰ সৈতে ব্যৱসায় কৰা ব্যৱসায়ী হোৱাৰ বাবে এডমাণ্ডে ডি.পি.চি.-ৰ বজাৰ হাৰ নিশ্চয় জানিব লাগিছিল; সেই সময়ত ডি.পি.চি.-ৰ বজাৰ হাৰ ৫/-ৰ পৰা ১০/- টকাৰ ভিতৰত আছিল। যদিও এ-১-এ উক্ত বজাৰৰ মূল্যৰ ওপৰত নীৰৱ আছিল, চতুৰ্থ অভিযুক্ত, এডমাণ্ডে ডি.পি.চি.-ৰ বজাৰৰ হাৰ প্ৰকাশ কৰিব লাগিছিল আৰু তেতিয়া প্ৰচলিত ডি.পি.চি.-ৰ বজাৰৰ মূল্য উল্লেখ কৰিব লাগিছিল যিটো ৫/-ৰ পৰা ১০/- টকাৰ ভিতৰত আছিল; কিন্তু চতুৰ্থ অভিযুক্তই নিজৰ বাবে অন্যায়ভাৱে লাভ অৰ্জন কৰিবলৈ আৰু নেহুৰ প্ৰতি অন্যায়ভাৱে লোকচানৰ সৃষ্টি কৰিবলৈ প্ৰতি কিলোগ্ৰামত ৪২.৭৫ টকাৰ উৰ্ধ্বগামী মূল্য উদ্ধৃত কৰিছিল।

৩৩. অপৰাধমূলক ষড়যন্ত্ৰ প্ৰমাণ কৰিবলৈ গোচৰীয়া পক্ষই প্ৰমাণ কৰিব লাগে যে; (i) অভিযুক্তই অবৈধ বা অবৈধভাৱে কৰা কাৰ্য্য কৰিবলৈ সন্মত হৈছিল বা কৰা হৈছিল; (ii) চুক্তি অনুসৰি অভিযুক্তসকলৰ এজনে কিছুমান প্ৰকাশ্য কাৰ্য্য কৰিছিল। ষড়যন্ত্ৰৰ সাৰমৰ্ম হ'ল ভাৰতীয় দণ্ডবিধিৰ ধাৰা ১২০ বি.-ৰ অধীনত কাৰ্য্যটো গঠন কৰা কাৰ্য্যবোৰৰ এটা বা আনটো কৰাৰ বাবে ব্যক্তিসকলৰ মাজত চুক্তিবদ্ধতা থাকিব লাগে। প্ৰথম অভিযুক্তই চতুৰ্থ অভিযুক্ত আৰু অন্যান্যৰ

সৈতে ষড়যন্ত্ৰ কৰি প্ৰতি কিলোগ্ৰামত ৪২.৭৫ টকাৰ অতিৰিক্ত মূল্যত ডি.পি.চি. যোগান ধৰা বুলি অভিযোগ উত্থাপন কৰা হৈছে, যিটো তেতিয়া বজাৰত প্ৰচলিত আছিল প্ৰতি কিলোগ্ৰাম ৫/ৰ পৰা ১০/- টকাৰ ভিতৰত। এই ষড়যন্ত্ৰৰ আঁত ধৰি চতুৰ্থ অভিযুক্তই ৬ এম.টি. ডি.পি.চি. যোগান ধৰিছিল আৰু ইয়াৰ ফলত নেহুৰ অন্যায়ভাৱে প্ৰায় ৬ লাখ টকাৰ লোকচানৰ সৃষ্টি হৈছিল।

৩৪. ষড়যন্ত্ৰকাৰীসকলৰ মাজত হোৱা বুজাবুজিৰ বিষয়ে প্ৰয়োজনীয় নিহিতাৰ্থৰ দ্বাৰা অনুমান কৰিব পাৰি, আৰু অনুমান প্ৰমাণিত তথ্যৰ পৰা আহৰণ কৰিব পাৰি। এনেদৰে প্ৰমাণিত তথ্য আৰু অভিযোগকাৰী পৰিস্থিতিয়ে সম্পূৰ্ণ শৃংখল গঠন কৰিব লাগিব যাৰ দ্বাৰা অভিযুক্ত আৰু তেওঁলোকৰ দোষৰ মাজত হোৱা বুজাবুজি সুৰক্ষিতভাৱে অনুমান কৰিব পাৰি। চতুৰ্থ অভিযুক্তই প্ৰতি কিলোগ্ৰামত ৪২.৭৫ টকাৰ অত্যাধিক হাৰত নেহুক ডি.পি.চি. যোগান ধৰিছিল আৰু নিজৰ বাবে আৰু প্ৰথম অভিযুক্তৰ বাবেও আৰ্থিক সুবিধা লাভ কৰিছিল আৰু সেয়েহে নেহুৰ অন্যায়ভাৱে লোকচান কৰিছিল। সাক্ষ্য আৰু প্ৰমাণিত তথ্যৰ আধাৰত উচ্চ ন্যায়ালয়ে নিৰ্দোষী সাব্যস্তকৰণ সলনি কৰি চতুৰ্থ অভিযুক্তক সঠিকভাৱে ভাৰতীয় দণ্ডবিধি আইনৰ ধাৰা ১২০বি.-ৰ অধীনত দোষী সাব্যস্ত কৰিছিল।

৩৫. চতুৰ্থ অভিযুক্তৰ ক্ষেত্ৰতো, তেওঁক ভাৰতীয় দণ্ডবিধি আইনৰ ধাৰা ৪২০-ৰ অধীনত অপৰাধৰ বাবেও দোষী সাব্যস্ত কৰা হৈছিল। প্ৰৱঞ্চনাৰ অপৰাধ দুটা উপাদানৰে গঠিত: "কোনো ব্যক্তিক প্ৰতাৰণা কৰা আৰু সেই ব্যক্তিজনক যিকোনো ব্যক্তিক কোনো সম্পত্তি প্ৰদান কৰিবলৈ বা যিকোনো ব্যক্তিয়ে কোনো সম্পত্তি ৰাখিব বুলি সন্মতি দিয়াৰ বাবে প্ৰৱঞ্চনাপূৰ্ণভাৱে বা অসৎভাৱে প্ৰৰোচিত কৰা"। প্ৰথম অভিযুক্তৰ সৈতে গোপন বুজাবুজি কৰি চতুৰ্থ অভিযুক্তই প্ৰতি কিলোগ্ৰামত ৪২.৭৫ টকাৰ অতিৰিক্ত হাৰত ডি.পি.চি.-ৰ মূল্য উদ্ধৃত কৰিছিল আৰু যোগান ধৰিছিল, চতুৰ্থ

অভিযুক্তই অসৎভাৱে নেহুক ডি.পি.চি. ক্রয় কৰিবলৈ প্ৰৰোচিত কৰিছিল। চতুৰ্থ অভিযুক্তই স্থিতি গ্ৰহণ কৰিছিল যে তেওঁ শ্বিলঙত তেতিয়া প্ৰচলিত ডি.পি.চি.-ৰ বজাৰৰ হাৰ জনা নাছিল। এজন যোগান ধৰোঁতা হিচাপে আৰু লগতে ডি.পি.চি.-ৰ ব্যৱসায় কৰা চতুৰ্থ অভিযুক্তই প্ৰচলিত বজাৰ হাৰটো নজনাটো বোধগম্য নহয়। উচ্চ ন্যায়ালয়ে সঠিকভাৱে প্ৰতিৰক্ষাৰ সংস্কৰণটো নাকচ কৰি চতুৰ্থ অভিযুক্তক ভাৰতীয় দণ্ডবিধিৰ ধাৰা ৪২০ আৰু ভাৰতীয় দণ্ডবিধিৰ ধাৰা ১২০বি.-ৰ অধীনত দোষী সাব্যস্ত কৰে।

৩৬. উচ্চ ন্যায়ালয়ে শাস্তিৰ প্ৰশ্নৰ ওপৰত অভিযুক্তৰ শুনানিৰ বাবে আৰু উপযুক্ত আদেশ দিয়াৰ বাবে বিষয়টো বিচাৰ আদালতলৈ প্ৰেৰণ কৰে। ইয়াৰ মাজতে চতুৰ্থ অভিযুক্তই এই আদালতত আপীল দাখিল কৰে আৰু লগতে বিচাৰ আদালতক শাস্তি প্ৰদান নকৰাৰ নিৰ্দেশ বিচাৰি আবেদন দাখিল কৰে। ৩১.০১.২০১১ তাৰিখৰ আদেশৰ দ্বাৰা এই আদালতে নিৰ্দেশ দিয়ে যে বিচাৰ আদালতে শাস্তিৰ ক্ষেত্ৰত আগবাঢ়িব আৰু উপযুক্ত আদেশ দিব।

৩৭. ১৪.০৬.২০১১ তাৰিখৰ আদেশৰ দ্বাৰা বিচাৰ আদালতে চতুৰ্থ অভিযুক্তক ভাৰতীয় দণ্ডবিধি আইনৰ ধাৰা ৪২০-ৰ অধীনত শাস্তিযোগ্য অপৰাধৰ বাবে উল্লেখিত বিধানৰ সৈতে এক লাখ টকাৰ জৰিমনা আৰু পাঁচ বছৰৰ সশ্ৰম কাৰাদণ্ডৰ শাস্তি প্ৰদান কৰে; ভাৰতীয় দণ্ডবিধি আইনৰ ধাৰা ১২০বি.-ৰ অধীনত অপৰাধৰ বাবে চতুৰ্থ অভিযুক্তক উল্লেখিত বিধানৰ সৈতে ৫০,০০০/- টকাৰ জৰিমনা আৰু তিনি বছৰৰ সশ্ৰম কাৰাদণ্ডৰ শাস্তি প্ৰদান কৰা হয় আৰু দুয়োটা শাস্তি সমকালীনভাৱে চলাবলৈ নিৰ্দেশ দিয়া হয়। চতুৰ্থ অভিযুক্তজনে ১৪.০৬.২০১১-ৰ পৰা ১৬.০২.২০১২-লৈকে মুঠ ২৪৮ দিনৰ কাৰাদণ্ডৰ শাস্তি ভোগ কৰিছিল। এই আদালতৰ ১৬.০২.২০১২ তাৰিখৰ আদেশৰ দ্বাৰা চতুৰ্থ অভিযুক্তৰ ওপৰত আৰোপ কৰা শাস্তি স্থগিত ৰখাৰ

নির্দেশ দিয়া হৈছিল যদিহে আবেদনকাৰী/চতুৰ্থ অভিযুক্তই ৩,৫০,০০০/- টকা পৰিশোধ কৰে, যিটো তেওঁ যোগান ধৰা ডি.পি.চি.-ৰ মূল্যৰ তুলনাত তেওঁ দাবী কৰা অতিৰিক্ত ধনৰ প্ৰায় ৫০%। চতুৰ্থ অভিযুক্তজনৰ বয়স সত্তৰ বছৰ আৰু তেওঁ প্ৰকাৰ-২ ডায়েবেটিছৰ চিকিৎসাধীন বুলি কোৱা হৈছে। এই গোচৰ প্ৰায় তিনি দশক ধৰি চলি আছে।

৩৮. গোচৰটোৰ বিচাৰাধীন হৈ থকা সময়সীমা আৰু চতুৰ্থ অভিযুক্তৰ বয়সৰ প্ৰতি লক্ষ্য ৰাখি আৰু যিহেতু তেওঁ ইতিমধ্যে এই আদালতৰ আদেশ অনুসৰি জৰিমনা পৰিশোধ কৰিছে আৰু লগতে ধন জমা কৰিছে, আমাৰ দৃষ্টিত, ভাৰতীয় দণ্ডবিধি আইনৰ ধাৰা ৪২০ আৰু ভাৰতীয় দণ্ডবিধি আইনৰ ধাৰা ১২০বি.-ৰ অধীনত দোষী সাব্যস্ত হোৱাৰ বাবে আপীলকাৰী-চতুৰ্থ অভিযুক্তৰ ওপৰত আৰোপ কৰা কাৰাদণ্ডৰ সময়সীমা ইতিমধ্যে অতিক্ৰম কৰা সময়সীমালৈ সলনি কৰা হ'ব আৰু বিচাৰ আদালতে আৰোপ কৰা জৰিমনা আৰু এই আদালতৰ আদেশ অনুসৰি জমা কৰা ধনৰাশিৰ উপৰিও আৰু ২,৫০,০০০/- টকাৰ জৰিমনা আৰোপ কৰা হ'ব। উক্ত জৰিমনা ২,৫০,০০০/- টকা পৰিশোধ নকৰিলে চতুৰ্থ অভিযুক্তই এবছৰৰ কাৰাদণ্ড ভুগিব লাগিব।

৩৯. প্ৰথম অভিযুক্তই দাখিল কৰা আৰু এতিয়া তেওঁৰ আইনী প্ৰতিনিধিৰ দ্বাৰা আগবঢ়োৱা আপীল খাৰিজ কৰা হৈছে। চতুৰ্থ অভিযুক্ত (এডমাণ্ড এছ. লিংডো)-ৰ দ্বাৰা দাখিল কৰা আপীলৰ ওপৰত উল্লেখ কৰা পৰিসৰলৈকে আংশিকভাৱে অনুমতি দিয়া হৈছে।

.............................. ন্যায়াধীশ

(টি.এছ. ঠাকুৰ)

.............................. ন্যায়াধীশ

(আৰ. বানুমথি)

নতুন দিল্লী;

১৬ ছেপ্তেম্বৰ, ২০১৪

---

অনুবাদক: হৰ্ষদ্বীপ কলিতা, কনিষ্ঠ অনুবাদক, অনুবাদ শাখা, গৌহাটী উচ্চ ন্যায়ালয়

DISCLAIMER

"The translated judgment in vernacular language is meant for the restricted use of the litigant to understand it in his/her language and may not be used for any other purpose. For all practical and official purposes, the English version of the judgment shall be authentic and shall hold the field for the purpose of execution and implementation".

“স্থানীয় ভাষালৈ অনূদিত এই ৰায় গোচৰত জড়িত পক্ষই বুজি পোৱাৰ উদ্দেশ্যে সীমিত ব্যৱহাৰৰ বাবেহে। ইয়াৰ বাদে অন্য ক্ষেত্ৰত অনূদিত ৰূপ ব্যৱহৃত নহ’ব। সকলো ব্যৱহাৰিক আৰু বিভাগীয় কামৰ লগতে ৰায়ৰ কাৰ্য্যকৰীকৰণ আৰু ৰূপায়ণৰ ক্ষেত্ৰতো এই ৰায়ৰ ইংৰাজী সংস্কৰণটোৰেই সঠিক বিবেচিত হ'ব।”